# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 01-Nov-2025

**Time :** 1715 HRS

## *Assamese Evening Bulletin*

———————————————————

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু ঘটনাৰ সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে ছিংগাপুৰ আৰক্ষীৰ পৰা তিনিটা গুৰুত্বপূৰ্ণ তথ্য লাভ কৰিছে। এছ আই টিৰ মুৰববী মুন্নাপ্ৰসাদ গুপ্তাই আজি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে পাৰস্পৰিক আইনী সাহায্য চুক্তিৰ অধীনত বিশেষ তদন্তকাৰী গোটে ছিংগাপুৰ আৰক্ষীৰ পৰা কিছু তথ্য বিচাৰিছিল। ইয়াৰ ভিত্তিতে ছিংগাপুৰ আৰক্ষীয়ে বিশেষ তদন্তকাৰী গোটক এই তথ্য যোগান ধৰিছে। ছিংগাপুৰৰ আৰক্ষীয়ে জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন সন্দৰ্ভত চূড়ান্ত মতামত আগবঢ়োৱা বুলিও এছ আই টিৰ মুৰববীগৰাকীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে ছিংগাপুৰ বন্দৰ আৰু সামুদ্ৰিক কৰ্তৃপক্ষৰ পৰাও বিশেষ তদন্তকাৰী গোটে নথি লাভ কৰিছে। ইয়াৰ জৰিয়তে তদন্ত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সহায় হ'ব বুলিও তেওঁ উল্লেখ কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত সাক্ষ্য প্ৰদানৰ বাবে এইপৰ্যন্ত চি আই ডি কাৰ্যালয়লৈ শতাধিক লোকক মতা হৈছে বুলি তেওঁ কয়। তদন্ত প্ৰক্ৰিয়া সময়মতে সম্পূৰ্ণ কৰি বিশেষ তদন্তকাৰী গোটে অতি সোনকালে আদালতত প্ৰতিবেদন দাখিল কৰিব বুলিও শ্ৰীগুপ্তাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে।

**বাইট (মুন্নাপ্ৰসাদ গুপ্তা)**

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মৰিগাঁও জিলাৰ মিকিৰভেটাত এখন ৫০ খন বিচনাযুক্ত আয়ুষ চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰাৰ লগতে মহিলা উদ্যমিতা অভিযানৰ অধীনত মৰিগাঁও সমষ্টিৰ হিতাধিকাৰীসকলক চেক বিতৰণৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানত ৩৬ হাজাৰ ৩৬৭ গৰাকী হিতাধিকাৰীলৈ ১০ হাজাৰ টকাকৈ উদ্যমিতাপুঁজিৰ প্ৰথম কিস্তিৰ চেক বিতৰণৰ শুভাৰম্ভ কৰে। এই হিতাধিকাৰীসকলৰ ৩২ হাজাৰ ৯৫১ গৰাকী গ্ৰাম্যাঞ্চলৰ আৰু তিনি হাজাৰ ৪২৬ গৰাকী নগৰাঞ্চলৰ। মুখ্যমন্ত্ৰীয়ে আজি মৰিগাঁৱত প্ৰায় ১৫ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া আৱৰ্তভৱনৰ আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে, চিকিৎসা বিজ্ঞাপন পৰম্পৰাগত ব্যৱস্থাৰ সম্প্ৰসাৰণৰ লগতে ৰাইজক বিকল্প স্বাস্থ্য সেৱাৰ সুবিধা প্ৰদানৰ বাবে আয়ুষ চিকিৎসালয়খন ১৫ কোটি টকা ব্যয় সাপেক্ষে ১৫ বিঘা ভূমিত নিৰ্মাণ কৰা হ'ব। আজি চেক বিতৰণ অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুবছৰ পূৰ্বে যোৰহাটলৈ অহাৰ সময়ত দেশৰ তিনি কোটি মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়ি তোলাৰ বিষয়ে প্ৰকাশ কৰিছিল। এই অনুসৰি ৰাজ্য চৰকাৰে ৰাজ্য চৰকাৰে অসমৰ আত্মসহায়ক গোটসমূহৰ লগত জড়িত ৩০ লাখ

মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়াৰ সংকল্প লৈছিল বুলি মুখ্যমন্ত্রীয়ে কয়। তেওঁ কয়, যে উদ্যমিতা পুঁজি হিচাপে লাভ কৰা ১০ হাজাৰ টকাৰ কিস্তিৰ প্ৰথম ধন মহিলাসকলে নিজৰ আত্মসহায়ক গোটত জমা কৰিলে এক লাখ টকাৰ পুঁজি গঠন হ'ব। এই পুজিৰে তেওঁলোকে সমূহীয়াভাৱে কোনো ব্যৱসায় আৰম্ভ কৰিব পাৰিব। ৰাজ্য চৰকাৰে মহিলাসকলৰ জীৱনলৈ পৰিৱৰ্তন অনাৰ লক্ষ্যৰে বহু বিবাহ ৰোধ কৰিবলৈ বিধানসভাত কঠোৰ আইন প্ৰণয়নৰ দিশত অগ্ৰসৰ হৈছে বুলিও মুখ্যমন্ত্রীয়ে কয়। অহা ২৫ নৱেম্বৰৰ পৰা হ'বলগীয়া বিধানসভাৰ অধিৱেশনত এই সন্দৰ্ভত বিধেয়ক উত্থাপন কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

তদুপৰি বাল্য বিবাহৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ পদক্ষেপৰ ফলত বাল্য বিবাহ প্ৰায় বন্ধ হৈছে বুলি মুখ্যমন্ত্রীয়ে উল্লেখ কৰে। মৰিগাঁও সমষ্টিত এতিয়াও অৰুণোদয় সুবিধা লাভ নকৰা যোগ্য পৰিয়ালসমূহক সামৰি লোৱাৰ বাবে অতিৰিক্ত চাৰি হাজাৰটা পৰিয়াললৈ অৰুণোদয়ৰ সুবিধা আগবঢ়োৱা হ'ব বুলি তেওঁ এই সভাতে ঘোষণা কৰে। অনুষ্ঠানত মন্ত্রী পীযুষ হাজৰিকা, কৌশিক ৰায়, বিধায়ক ৰমাকান্ত দেউৰী, তিৱা স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি গুৱাহাটীৰ দীঘলীপুখুৰীৰ ৰাজ্যিক যুদ্ধ স্মাৰকত আয়োজিত অমৰ ছহিদ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে অংশ লৈ ৰাজ্যপালগৰাকীয়ে দেশৰ হকে প্ৰাণ আহুতি দিয়া বীৰ জোৱানসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ পালন কৰাৰ উদ্দেশ্যে আখৰা পূৰ্ণ গতিত চলি আছে। নামঘৰ, মন্দিৰ আদিত সন্ধিয়া স্থানীয় বয়োজ্যেষ্ঠ লোক, যুৱক-যুৱতীসকলে ৰাসৰ আখৰা চলাই আছে।

নলবাৰীৰ হৰিমন্দিৰ আৰু দামোদৰ ধাম সত্ৰ, পাঠশালা, বজালী, টিহু, পাটাছাৰকুছি, শুৱালকুছি, মিৰ্জা, পলাশবাৰী, তামুলপুৰ, বাক্সা, সৰুক্ষেত্ৰী, হাউলী, গুৱাহাটীৰ জাপৰিগোগ, নবীন নগৰ আদি অঞ্চলত ৰাস মহোৎসৱ পালন কৰাৰ বাবে প্ৰস্তুতি চলিছে। নগাঁও আৰু মৰিগাঁও জিলাৰ বিভিন্ন স্থানতো ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে।

০০০০০

সমাপ্ত